# ECHO OF HIS CALL

**ASSAMESE**

## তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

ECHO OF HIS CALL 1969-2019 GOLDEN JUBILEE

REACHING NATIONS

*India's National Spiritual Newspaper*

₹ 10/-

Published monthly in ENGLISH, TAMIL, MALAYALAM, TELUGU, HINDI, KANNADA, MARATHI, BENGALI, GUJARATI, ODIYA, ASSAMESE, PUNJABI, NEPALI, URDU, SINHALA & AFRIKAN

Editor : S. SAM SELVA RAJ | 16 Languages | Associate Editor : Sis. BORNALI THAPA RAJ

**Vol. XXIII** FEBRUARY 2023 **No. 8**


## পবিত্ৰ বাইবেল

এই অংশটি অনুগ্ৰহ কৰি মুখস্থ কৰক

প্ৰভূৰ প্ৰশংসা হওঁক !

### হিতোপদেশ ৩ ঃ২৬-৩৫

২৬। কিয়নো যিহোৱা তোমাৰ বিশ্বাস ভূমি হ'ব আৰু তেওঁ তোমাৰ ভৰি ফান্দত নপৰাকৈ ৰাখিব।

২৭। তোমাৰ উপকাৰ কৰিবৰ সমৰ্থ থাকিলে উপকাৰ কৰিবলগীয়াক উপকাৰ নকৰাকৈ নাথাকিবা।

২৮। যেতিয়া তোমাৰ হাতত বস্তু থাকে, তেতিয়া, তুমি যোৱা, আকৌ আহিবা, কাইলৈ দিম, চুবুৰীয়াক এনে কথা নক'বা।

২৯। কোনো মানুহ তোমাৰ লগত নিৰ্ভয়েৰে থকা দেখিলে, তাৰ বিৰুদ্ধে কুকল্পনা নকৰিবা।

৩০। কোনোৱে তোমাৰ অপকাৰ নকৰাকৈ অকাৰণে তাৰ লগত বিবাদ নকৰিবা।

৩১। অত্যাচাৰীক অসূয়া নকৰিবা, তাৰ কোনো পথ মনোনীত নকৰিবা।

৩২। কিয়নো কুটিল লোক যিহোৱাৰ ঘিণলগীয়া, কিন্তু তেওঁৰ গুপ্ত মন্ত্ৰণা হ'লে সৰলবিলাকৰ লগতহে।

৩৩। দুষ্ট লোকৰ ঘৰত যিহোৱাৰ শাও থাকে, কিন্তু তেওঁ ধাৰ্মিকবিলাকৰ নিবাস আশীৰ্বাদযুক্ত কৰে।

৩৪। নিশ্চয়ে তেওঁ নিন্দাবোৰক নিন্দা কৰে; কিন্তু নম্ৰবিলাকক অনুগ্ৰহ দান কৰে।

৩৫। জ্ঞানীবিলাক মৰ্য্যদাৰ অধিকাৰী হয়; কিন্তু অজ্ঞানবোৰৰ উন্নতি লাজেই।

# মহান নিগূঢ় তত্ত্ব ! THE GREAT MYSTERY !

*(কেন্দ্ৰ মণ্ডলীত পালক এচ, চাম, ছেলভা ৰাজে দিয়া বাৰ্ত্তা)*

**"এই নিগূঢ় তত্ত্ব অতি গুৰুতৰ,**

**কিন্তু মই খ্ৰীষ্টৰ আৰু মণ্ডলীৰ প্ৰসংগতো ইয়াকে কৈছো" (ইফিচীয়া ৫ঃ৩২)।**

পৃথিৱীত স্বৰ্গৰ ক্ষমতাক ব্যৱহাৰ কৰিবৰ নিমিত্তে ঈশ্বৰৰ মণ্ডলীয়েই মূল আশ্ৰয়। মণ্ডলী সাধুবিলাকৰ সহভাগিতাৰ স্থান হয়। পাঁচনিৰ কৰ্ম প্ৰথম দহটা অধ্যায়ৰ মতে মানুহবিলাক যীচু খ্ৰীষ্টৰ সৈতে আছিল, যীচু খ্ৰীষ্টৰ সৈতে বাস কৰিছিল আৰু তেওঁৰ প্ৰেমৰ সোৱাদ লৈছিল, তেওঁবিলাকক 'শিষ্য' বুলি মতা হৈছিল। (পাঁচনিৰ কৰ্ম ১১ঃ২৬)। আন লোকবিলাকক তেওঁবিলাকৰ লগ ল'বলৈ সাহ নহৈছিল (পাঁচনিৰ কৰ্ম ৫ঃ১৩)।

বিশ্বাসী খ্ৰীষ্টিয়ানসকলে মিছা নকয়, আনক নঠগে আৰু বিশ্বাসঘাতক নহয়। তেওঁলোকে ঈশ্বৰক ভয় কৰি চলে। যদিও কিছুমান মানুহে আপোনাক বিশ্বাসঘাত কৰিছে তেন্তে তেওঁলোক ঈশ্বৰৰ সন্তান নহয়। ঈশ্বৰৰ সন্তানৰ সৈতে আপুনি মুকলি মনেৰে কথা পাতিব পাৰে। যিবিলাকে যীচু খ্ৰীষ্টৰ আদৰ্শক অনুসৰণ কৰে আৰু যিবিলাকে তেওঁৰ খোজত খোজ মিলাই অনুসৰণ কৰে তেওঁবিলাক ঈশ্বৰৰ সন্তান হয়। যিবিলাকে যীচু খ্ৰীষ্টক অনুসৰণ কৰে আৰু সকলো পৰিস্থিতিত তেওঁক প্ৰতিবিম্ব কৰে তেওঁবিলাকে যেতিয়া পৰিস্থিতিৰ দ্বাৰাই প্ৰভাৱিত




ইখ অফ হীজ কল

৫ মিনিট বাৰ্তা

ইউ টিউব খ্ৰীষ্টিয়ান চেনেল

ইংৰাজী আৰু হিন্দী

প্ৰত্যেক দিনে পুৱা ৫ বজাত

তামিল আৰু তেলেগু

সোমবাৰৰ পৰা শনিবাৰলৈ পুৱা - পুৱা ৫ বজাত

তামিল দেওবৰীয়া উপাসনা - পুৱা ৮ঃ৩০ বজাত

পালক, এচ, চাম, ছেলভা ৰাজৰ সৈতে প্ৰাৰ্থনা কৰিবলৈ আপুনি এটা সুযোগ পাব।

# তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি (১৯৬৯ - ২০১৯ - সোণালী জয়ন্তী বৰ্ষ)




## আপোনালোকৰ প্ৰিয় ভাইজনৰ পৰা ...



**আমাৰ মিশ্বন নীতি**

আমি এই সমকালীন বংশলৈ পৌৰাণিক আৰু প্ৰথম শতিকাৰ পাঁচনিসকলৰ স্পষ্ট শিক্ষাবোৰক বিস্তাৰ কৰা আৰু শিক্ষা দিয়া উচিত। এইটোৱেই আজিৰ প্ৰয়োজন।

CHIEF EDITOR
Angeline Selvakumari Henry, M.A., M.Ed.
MANAGING EDITOR
Pastor Alex Samson Sam, B.Th., M.Div.
ADMINISTRATION
Bro. N. Prakasam, M.A., General Manager
EDITORIAL BOARD
Sis. Jesy Veena Sam
Sis. Serena Bevin, M.A., M.Phil., B.Ed.
Dr. A. Richard Samuel, M.A., Ph.D.
Rev. Dr. K.R. Rajasekaran
EDITOR, PUBLISHER & PRINTER
Pastor S. SAM SELVA RAJ
Echo of His Call Printers
10, Mohammed Abdullah 2nd Street,
Chepauk, Chennai- 600 005, India.
Phone : (+ 91- 44) 2852 8282, 2852 9293, 2854 7766
Cell : (+91) 98410 71852, 95661 31858
CORE LEADERS
Bro. K. Puratchivendan
Bro. A. Edward Durai
Bro. A. Alvin
Bro. K. Abraham
Sis. Dhanalakshmi Chinnaiah
E.mail ID
sam@echoofhiscall.org
biblecor@yahoo.co.in
WEBSITES
www.echoofhiscall.org
www.stpaulsmatriculation.com
YOUTUBE CHANNEL
Echo of His Call

"...যি দুৱাৰ কোনেও বন্ধ কৰিব নোৱাৰে,
এনে এখন মেলা দুৱাৰ তোমাৰ সন্মুখত দিলোঁ..." - প্ৰকাশিত বাক্য ৩ঃ৮

প্ৰভুত মোৰ প্ৰিয়সকল,

আমাৰ প্ৰভু যীচুখ্ৰীষ্টৰ নামত আমি আপোনালোকক শুভেচ্ছা জনাওঁ।

আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ আলোচনী আৰু আমাৰ ইউ টিউব চেনেলৰ বাৰ্তাৰ যোগেদি শুভবাৰ্তা বিলাবলৈ আমাৰ প্ৰয়াসত ঈশ্বৰৰ আশীৰ্বাদ পোৱাৰ বাবে তেওঁক ধন্যবাদ দিওঁ। আমাৰ ইউ টিউব চেনেলৰ পৰিচৰ্য্যাত সেৱা কৰা পালক এলেক্স চামচন চাম, পালক চিন্নানাইআহ, ভাইসকল আৰু ভনীসকল ধানাম চিন্নাইআহ, মেৰী মাগ্‌দালীন, এন, প্ৰকাশাম, খ্ৰীষ্টিনা জাবা কুমাৰী চিন্নাইআহ, বি চাৰান, পালক বিদ্যাধাৰ, আব্ৰাহাম, চালমী আব্ৰাহাম, গীতা গুৰু চামী, ডেইজি ৰাণী, চলোমন ৰৰ্বাট, জছুৱা ৰবাৰ্ট, এডমন থমাচ আদি প্ৰিয় ঈশ্বৰৰ সন্তানসকলৰ বাবে তেওঁ প্ৰশংসা কৰো।

অন্তত কিছুমান মানুহক তেওঁলোকৰ পাপৰ ভয়ানক স্বভাৱৰ পৰা আৰু অভিশাপৰ পৰা ৰক্ষা কৰিবলৈ আমি চেষ্টা কৰো। আপোনালোকৰ প্ৰাৰ্থনাৰ সহায় আমাৰ বাবে বহুত প্ৰয়োজন হৈছে। পৰিচৰ্য্যাৰ পথবোৰ বহুত কষ্টকৰ হয়। চয়তানক প্ৰতিৰোধ কৰাৰ আমাৰ ক্ষমতা বৰ দুৰ্বল কৰিবলৈ সি কঠিন পৰিশ্ৰম কৰি আছে। কেৱল আমাৰ প্ৰিয় প্ৰভুৱে আমাক ঢাকি ৰখাৰ বাবে আৰু ৰক্ষা কৰাৰ বাবেহে আমি চলি আছো।

আমি আপোনালোকৰ কষ্ট আৰু সমস্যাবোৰৰ বিষয়ে বুজি পাইছো আৰু প্ৰাৰ্থনা কৰি থাকো।

প্ৰভুৰ ইচ্ছা হ'লে আমাৰ নহিমিয়া বাইবেল কলেজৰ উপাধিকৰণ সভাখন ২০২৩ বৰ্ষৰ জুন মাহত হ'ব। ২০২৩-২৪ শিক্ষাবৰ্ষৰ বাবে, ঈশ্বৰৰ পৰিচৰ্য্যাৰ বাবে আহ্বান পোৱা ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজন হৈছে। অনুগ্ৰহ কৰি ইয়াৰ বাবে প্ৰাৰ্থনা কৰক। দয়া কৰি তেনে ছাত্ৰ-ছাত্ৰীসকলক আমাৰ সৈতে পৰিচয় কৰি দিয়ক। জাগতিক বস্তুৰ লাভৰ ইচ্ছা নকৰাকৈ আমি শুভবাৰ্তা প্ৰচাৰৰ বাবে কঠোৰ পৰিশ্ৰম কৰো। দয়া কৰি মনত বোজা লয় আমাৰ তামিল আৰু হিন্দী বাইবেল কলেজৰ বাবে আৰু আমাৰ সকলো ধৰণৰ পৰিচৰ্য্যাসমূহৰ বাবে প্ৰাৰ্থনা কৰক।

আমি আপোনালোকৰ বাবে প্ৰাৰ্থনা কৰো। ঈশ্বৰৰ অনুগ্ৰহ আপোনালোকৰ সৈতে থাকক। আমেন।

**খ্ৰীষ্ট্ৰ যীচুত আপোনালোকৰ সেৱক,**

**পালক, এচ, চাম ছেলভা ৰাজ আৰু এলেক্স চেমচন চাম।**

(+91) 98412 71858 / 98410 71858, E.mail : samselvaraj333@gmail.com

হয় যীচু খ্ৰীষ্টক অস্বীকাৰ নকৰিব বা নিজৰ লাভৰ বাবে ঈশ্বৰৰ পৰিচৰ্যাক অপব্যৱহাৰ নকৰিব।

এই পৃথিৱীত আটাইতকৈ ডাঙৰ নিগূঢ় তত্ত্বটো হৈছে ঈশ্বৰৰ মণ্ডলীৰ মাজত থকা সম্পৰ্ক আৰু সেইটো হৈছে ঈশ্বৰ আৰু ঈশ্বৰৰ সন্তানসকলৰ সহভাগিতা। প্ৰভু যীচু খ্ৰীষ্টই মণ্ডলীৰ যোগেদি স্বৰ্গৰ পৰা তেওঁৰ বিশ্বাসীবিলাকৰ নিগূঢ় তত্ত্ববোৰ দি আছে। যিবিলাকে ঈশ্বৰত নতুন জন্ম লৈছে, তেওঁবিলাকেই ঈশ্বৰৰ সন্তান হয়। মানুহ ধনী বা

Our Ministries: ECHO OF HIS CALL Monthly Magazines (16 languages) BIBLECOR - Postal Courses (3 languages) Media Ministry Online Courses Theological Correspondence Courses (2 languages) Church Planting Nehemiah Bible Colleges Gospel Printing Press Great Commission Partners St. Paul's Matriculation School Crusades Community Development

দুখীয়া পৰিৱেশৰ পৰা হ'ব পাৰে বা চকুলোৰ উপত্যকাৰ মাজেদি যাব পাৰে। এইটো সম্ভৱ হ'ব পাৰে যে যিবিলাক মানুহে জীৱনৰ আশা হেৰুৱাইছে বা আনৰ দ্বাৰাই অগ্ৰাহ্য হৈছে বা তেওঁবিলাক কোনো কামৰ যোগ্য নহয়, কিন্তু যিজনে যীচু খ্ৰীষ্টত বিশ্বাস কৰে তেঁৱেই যীচু খ্ৰীষ্টত জন্ম পোৱা লোক (যোহন ১ঃ১৩)।

এই পৃথিৱীত এজন মানুহে জয়যুক্তৰ জীৱন জীয়াই থাকিবলৈ যি সকলো সত্য তেওঁৰ প্ৰয়োজন হয় সেইবোৰ যীচু খ্ৰীষ্ট আৰু মণ্ডলীৰ মাজত গুপুত সম্পৰ্কৰ মাজত লুকাই আছে। কিন্তু মানুহে ইয়াক অৱহেলা কৰি তেওঁবিলাকৰ জীৱনত আনন্দ আৰু শান্তিক পাবলৈ আন উপায়েৰেহে চেষ্টা কৰে। যদিও বাইবেলত বহুত নিগূঢ় তত্ত্বৰ বিষয়ে লিখা আছে, যেতিয়া আমি যীচু খ্ৰীষ্ট আৰু মণ্ডলীৰ মাজত থকা সম্পৰ্কৰ নিগূঢ় তত্ত্বক ব্যৱহাৰ কৰোঁ, তেতিয়া আমাৰ জীৱনত পৰিৱৰ্তন হয় আৰু আমি তোলা হওঁ।

বাস্তৱটো হৈছে যীচু খ্ৰীষ্ট জগতৰ ত্ৰাণকৰ্তা আৰু তেওঁৰ মণ্ডলী সময় বা সংস্কৃতি বা পৰিস্থিতি আৰু নতুন প্ৰযুক্তিবিলাকৰ দ্বাৰাই পৰিৱৰ্তন হ'ব নোৱাৰে। ভুল খবৰ বা যীচু খ্ৰীষ্টৰ বিষয়ে সম্পূৰ্ণ জ্ঞান নথকাকৈয়ে কিছুমান মানুহে ভাবে যে খ্ৰীষ্টিয়ানক নীচ বা ইয়াক আকোঁৱালি ল'ব নালাগে। কিন্তু এই মনোভাৱ সম্পূৰ্ণ ভুল, এনে কোনোবা আছেনে যিয়ে যীচু খ্ৰীষ্টক বিশ্বাসেৰে গ্ৰহণ কৰাৰ বাবে পৰিত্যাগ হৈছে? কোনোবা দৰিদ্ৰ হৈছেনে? যিকোনো কাৰণত আনক কষ্ট দিয়েনে? এই প্ৰশ্নবোৰক লৈ কোনেও কেতিয়াও 'হয়' বুলি উত্তৰ দিব নোৱাৰে। 'মই ল'ৰা আছিলো এতিয়া বুঢ়া হ'লো, তথাপি ধাৰ্মিকক পৰিত্যক্ত হোৱা নাইবা তাৰ সন্তানক আহাৰ মগা মই দেখা নাই' (গীতমালা ৩৭ঃ২৫)। যিকোনোৱে যীচু খ্ৰীষ্টক গ্ৰহণ কৰে তেওঁ কেতিয়াও আহাৰৰ বাবে ঘূৰি ফুৰা আমি নেদেখো।

যীচু খ্ৰীষ্টৰ জন্ম আৰু নৱবৰ্ষ কেৱল খ্ৰীষ্টিয়ানসকলৰ দ্বাৰাই পালন কৰা দেখা নাযায়। কিন্তু সকলো দেশৰ লোক আৰু সকলো ধৰ্মৰ লোকৰ দ্বাৰাই পালন কৰা হয়। জানুৱাৰীৰ প্ৰথম দিনটোক সকলো ধৰ্মৰ মন্দিৰত আৰু আৰাধনাৰ ঠাইবোৰত বিশেষ কাৰ্যসূচী, আৰাধনাৰ আয়োজন কৰা হয়। কিয়? সত্য সদায় সত্য। এজনে সত্যক অস্বীকাৰ কৰি বা লুকুৱাই বহুত দিন ৰাখিব নোৱাৰে। যীচুৰ জন্মই খৃষ্টপূৰ্ব আৰু খৃষ্টাব্দত বিশ্ব ইতিহাস হিচাপে ভাগ কৰি দিছে। জগতখনেই বিপথগামী হোৱাৰ বাবে যিজন ঈশ্বৰে পৃথিৱীখন সৃষ্টি কৰিছিল যীচু খ্ৰীষ্টৰ ৰূপত মানৱৰ ৰূপ ধাৰণ কৰিলে আৰু তেওঁৰ জন্ম, মৃত্যু আৰু পুনৰুত্থানৰ দ্বাৰাই তেওঁৰ মহান প্ৰেমক প্ৰকাশ কৰিলে (ৰোমীয়া ৫ঃ৮)। যেতিয়া মৃতবিলাকৰ মৰাশবোৰৰ সকলো কবৰ যেতিয়া বন্ধ হৈ থাকে যীচু খ্ৰীষ্টৰ কবৰহে কেৱল খোলা হৈ থাকে, কিয়? তেওঁ প্ৰভু আৰু ত্ৰাণকৰ্তা। যিজনে মৃত্যুক জয় কৰিলে আৰু মৃত্যুৰ পৰা পুনৰুত্থিত হ'ল। যিকোনোৱে যীচু খ্ৰীষ্টৰ মণ্ডলীক ঘিণ কৰিব পাৰে আৰু মণ্ডলীক তাড়না কৰিব পাৰে। কিন্তু ঈশ্বৰৰ মণ্ডলী মানুহৰ নিয়ন্ত্ৰণৰ অধীনত নাথাকে। এইটো পুনেই ঈশ্বৰৰ নিয়ন্ত্ৰণৰ অধীনত চলে।

পৃথিৱীৰ আৰম্ভণিৰ পৰা ঈশ্বৰৰ সন্তানবিলাকৰ এই সহভাগিতাবিলাক ভয়ানক তাড়না আৰু বিৰোধীৰ অভিজ্ঞতা পাই আহিছে। কিন্তু ঈশ্বৰৰ মণ্ডলীৰ বৃদ্ধিত কোনেও নিয়ন্ত্ৰণ কৰিব নোৱাৰে। আমি ইতিহাসত পঢ়ো যে দেশবিলাক আৰু ক্ষমতাত থকা লোকবিলাকে ঈশ্বৰৰ মণ্ডলীবিলাকক নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা কৰিছিল, তেওঁবিলাক চিনচাব নোহোৱাকৈ চূৰ্ণ বিচূৰ্ণ হৈ গ'ল। গতিকে আমি জ্ঞানেৰে শুভবাৰ্তা ঘোষণা কৰিব লাগে। যিবিলাকে ঈশ্বৰৰ মহিমাৰ বিষয়ে নাজানে, যেতিয়া ঈশ্বৰৰ বিষয়ে জ্ঞান পায় তেওঁবিলাকে শান্তি পায়। আনকি আজিও পৃথিৱীৰ বিভিন্ন প্ৰান্তত মানুহে মণ্ডলীত যোগদান কৰি আছে। অগন্য মণ্ডলী প্ৰতিদিনেই স্থাপিত হৈ আছে।

## ১। মই মোৰ মণ্ডলী স্থাপন কৰিম !

যেতিয়া যীচুখ্ৰীষ্টই কৈচৰিয়া ফিলিপীৰ অঞ্চললৈ গৈ তেওঁ শিষ্যবিলাকক সুধিলে, "বোলে মানুহবিলাকে মানুহৰ পুত্ৰক কোন বুলি কয়?" তেওঁলোকে ক'লে, "কোনো কোনোৱে বাপ্তিস্ম দিওঁতা যোহন; কোনোৱে এলিয়া, আন কোনোৱে যিৰিমিয়া বা ভাৱবাদীৰ এজন বুলি কয়।"

তেওঁ তেওঁবিলাকক ক'লে, "কিন্তু তোমালোকেনো মোক কোন বোলা?" তাতে চিমোন পিতৰে উত্তৰ দি ক'লে, "আপুনি সেই অভিষিক্ত জনা, জীৱনময় ঈশ্বৰৰ পুত্ৰ।" তেতিয়া যীচুৱে উত্তৰ দি তেওঁক ক'লে, "হে যোনাৰ পুতেক চিমোন, তুমি ধন্য, কিয়নো তেজ আৰু মাংসই ইয়াক তোমাৰ আগৰ প্ৰকাশ কৰা নাই, কিন্তু স্বৰ্গত থকা মোৰ পিতৃয়েহে প্ৰকাশ কৰিলে আৰু ময়ো তোমাক কওঁ যে, তুমি পিতৰ আৰু এই শিলৰ ওপৰত মই মোৰ মণ্ডলী স্থাপন কৰিম আৰু নৰককুণ্ডৰ দ্বাৰে তাক পৰাজয় নকৰিব" (মথি ১৬ঃ১৭-১৮)।

ইয়াতে আমাৰ প্ৰভুৱে চিমোনক সুধিছে যে আন লোকবিলাকে তেওঁৰ বিষয়ে কি কৈছিল? যীচখ্ৰীষ্টও জানিব বিচাৰিছিল যে তেওঁবিলাকে তেওঁৰ বিষয়ে কি কয়? ইয়াৰ পৰা আমি বুজো যে প্ৰত্যেক আত্মিক চলাওতাসকলে জনা উচিত যে আনে তেওঁৰ বিষয়ে কি কয়? এজনে এইদৰে কোৱা উচিত নহয়, "আনে মোৰ বিষয়ে কি কয় তাক মই কেৰেপ নকৰো, মই মোৰ বিবেচনাৰ মতে কাম কৰি আছো"। যেতিয়া যীচু খ্ৰীষ্টই পিতৰক সুধিছিল যে আনবিলাকে তেওঁৰ বিষয়ে কি কৈছিল, চিমোনে উত্তৰ দি ক'লে, "তুমি যীচু খ্ৰীষ্ট জীৱিত ঈশ্বৰৰ পুত্ৰ"। ইয়াত তেওঁ যি প্ৰকাশ পাইছিল তাক কৈছিল। যীচু খ্ৰীষ্টই কয় যে মাংস আৰু তেজে তেওঁক প্ৰকাশ কৰা নাই কিন্তু স্বৰ্গত থকা পিতৃয়েহে তেওঁক প্ৰকাশ কৰিছে। আজিৰ লোকবিলাকে খ্ৰীষ্টিয়ানবিলাকক মূৰ্খ, অনভিজ্ঞ, জ্ঞান নোহোৱা লোক, খ্ৰীষ্টিয়ান ধৰ্ম বিস্তাৰ কৰা লোক আৰু মানুহবিলাকক পৰিৱৰ্তন কৰা লোক বুলি গণ্য কৰে। যদি এজন মানুহে যীচু খ্ৰীষ্টক তেওঁৰ ত্ৰাণকৰ্তাৰূপে গ্ৰহণ কৰে, ইয়াৰ অৰ্থ হৈছে যে মাংস আৰু তেজ তেওঁলৈ প্ৰকাশিত হোৱা নাই কিন্তু স্বৰ্গীয় পিতৃয়েহে।

আমাৰ যিমানেই যীচু খ্ৰীষ্টক আমাৰ ত্ৰাণকৰ্তাৰূপে গ্ৰহণ কৰিছো, আমি সকলোৱেই ঈশ্বৰৰ পৰা প্ৰকাশিত হোৱা লোক। যিবিলাকে নিজৰ জীৱনত প্ৰকাশ পাইছে তেওঁবিলাকৰ

অতীত জীৱন গণ্য নকৰাকৈয়ে স্বৰ্গত থকা ঈশ্বৰৰ অধীনত আছে।

আপুনি ক'ব নোৱাৰে যে ঈশ্বৰে আপোনাৰ সৈতে কথা কোৱা নাই বা আপুনি ঈশ্বৰৰ মাত শুনা নাই বা আপুনি ঈশ্বৰৰ সৈতে সম্পৰ্ক ৰখা নাই। কিয়নো, প্ৰভুৱে চিমোন পিতৰক কৈছিল, '... মাংস আৰু তেজে তোমালৈ প্ৰকাশ হোৱা নাই, কিন্তু স্বৰ্গত থকা মোৰ পিতৃয়েহে' গতিকে আপুনি যীচু খ্ৰীষ্টক আপোনাৰ ত্ৰাণকৰ্তাৰূপে গ্ৰহণ কৰিছে। যীচু খ্ৰীষ্টই সত্য ঈশ্বৰ। প্ৰভুৰো প্ৰভু আৰু পৃথিৱীৰ অধিপতি। এয়ে স্বৰ্গীয় প্ৰকাশ। এজন মানুহে ঈশ্বৰৰ পৰা দৰ্শন নাপালে তেওঁক হেঁচা দিয়া বা বাধ্য কৰাৰ দ্বাৰাই যীচুক গ্ৰহণ কৰাব নোৱাৰে। গতিকে যিবিলাক দৰ্শন পাইছে এই পৃথিৱীতকৈ এটা বেলেগ জীৱন আৰু পৃথক জীৱন চলাই যাব লাগে।

মানুহবিলাকে বেলেগ পথেৰে তেওঁবিলাকৰ জীৱনত অগ্ৰগতি হ'বলৈ চেষ্টা কৰে, কিন্তু বাইবেলে কেৱল ঈশ্বৰৰ সন্তানবিলাকক বা যিবিলাকে তেওঁৰ দৰ্শন পাইছে, এইবুলি শিক্ষা দিয়ে যে যিবিলাকে তেওঁৰ শিক্ষা দিয়াৰ মতে কাৰ্যবোৰ কৰিলে জীৱনত কৃতকাৰ্য হ'ব, যিটো বৰং আচৰিত কথা।

## ২। মোৰ মণ্ডলী !

এই পৃথিৱীত যিকোনোৱেও যিকোনো কাৰ্য কৰিব পাৰে। কিন্তু মণ্ডলী বনোৱা কাৰ্য ঈশ্বৰৰ হাতততহে আছে। মথি ১৬ঃ১৮ পদত যীচু খ্ৰীষ্টই এইদৰে কয়, 'মই মোৰ মণ্ডলী স্থাপন কৰিম'। তেওঁ কোৱা নাছিল যে পিতৰ বা পৌলে মণ্ডলী স্থাপন কৰিব। নৰক কুণ্ডৰ দ্বাৰে তাক পৰাজয় নকৰিব।

ঈশ্বৰৰ সন্তানৰ গোটটোৱেই হৈছে ঈশ্বৰৰ মণ্ডলী। ঘৰটোক নুবুজায়। যেতিয়া মই কওঁ যে এই মণ্ডলীত এটা উপাসনা হ'ব, ঘৰটোৰ বিষয়ে নুবুজায়। ইয়াকেহে বুজায় যে য'ত ঈশ্বৰৰ সন্তানবিলাক গোট খায়। ঈশ্বৰে নিজেই ঈশ্বৰৰ মণ্ডলী স্থাপন কৰিব। আমি একেলগে যেতিয়া এটা ঠাইত গোট খাওঁ সেইটোৱেই ঈশ্বৰৰ মণ্ডলী হয়।

ঈশ্বৰে আপোনালোকক স্থাপন কৰিব। ঈশ্বৰৰ লোকসকল, ঈশ্বৰে কৈছে যে নৰককুণ্ডৰ দ্বাৰে তাক পৰাজয় নকৰিব। যেতিয়া আমি ইয়াক গ্ৰহণ কৰো, আমি আমাৰ জীৱনত মণ্ডলীক গুৰুত্ব দিব লাগে। ঈশ্বৰে কয় যে তেওঁ আমাক স্থাপন কৰিব আৰু সমৃদ্ধিশালী কৰিব। নৰককুণ্ডৰ দ্বাৰে আমাক পৰাজয় কৰিব নোৱাৰে। ঈশ্বৰে তেওঁৰ হাতত ইয়াৰ দায়িত্ব লৈছে। ঈশ্বৰে তেওঁৰ মণ্ডলীৰ অসুবিধা আৰু দুখ-কষ্টবোৰলৈ চাব আৰু আপোনাক স্থাপন কৰিব। ৰোগ, কষ্ট, ঋণ, দৰিদ্ৰতা যি চয়তানৰ দ্বাৰাই আহে আপোনাক পৰাজয় কৰিব নোৱাৰিব। কিয়নো আপুনি তেওঁৰ মণ্ডলী হয়, তেজ আৰু মাংসই ইয়াক প্ৰকাশ কৰা নাই কিন্তু স্বৰ্গত থকা পিতৃয়েহে প্ৰকাশ কৰিলে। ঈশ্বৰৰ মণ্ডলীত যিবিলাকে গোট খায়, তেওঁবিলাকক কেতিয়াও পৰিত্যাগ কৰা নহ'ব।

ঈশ্বৰে তেওঁবিলাকক শিলৰ ওপৰত ঘৰ সজা লোকবিলাকৰ লগত তুলনা কৰে। এজন মানুহে বালিৰ ওপৰত যদি ঘৰ সাজে, যেতিয়া ধুমুহা হ'ব, ডাঙৰ বৰষুণ আহিব, পানী যেতিয়া উটি আহিব, সেই ঘৰখন ধ্বংস হ'ব। কিন্তু আন এজন মানুহে যেতিয়া শিলৰ ওপৰত ঘৰ সাজে, ডাঙৰ বতাহ আহিব, বৰষুণ আহিব, পানী উটি আহিব কিন্তু সেই ঘৰখন থিৰে থৈ থাকিব। দুখ, কষ্ট বা পৰাজয় যিকোনো তেওঁৰ জীৱনত আহিব তেওঁ দৃঢ় হৈ থিৰে থাকিব। তেওঁ আপোনাক স্থাপন কৰিব কিয়নো আপুনি তেওঁৰ মণ্ডলী, নৰককুণ্ডৰ দ্বাৰে আপোনাক পৰাজয় কৰিব নোৱাৰে। ঈশ্বৰে কয় যে তেওঁ আপোনাক শিলৰ ওপৰত ঘৰ সজা মানুহৰ সৈতে তুলনা কৰিব।

আমি যেতিয়া ঈশ্বৰৰ মণ্ডলীত থাকো তেতিয়াহে আমি জয়যুক্ত হৈ থাকিব পাৰো। এই কাৰণে বাইবেলে কয় যে আমি নিজকে একেলগে গোট খাই থকাটো ত্যাগ কৰিব নালাগে (ইব্ৰী ১০ঃ২৫)। বহুতৰ বাবে ঈশ্বৰৰ মণ্ডলীলৈ অহাটো এটা কষ্টকৰ বস্তু - গীৰ্জাঘৰ বহুত দূৰৈত আছে। তেওঁলোক ভাগৰি গৈছে, যান-বাহনৰ অসুবিধা ইত্যাদি। গতিকে এই লোকবিলাকে ঈশ্বৰৰ মণ্ডলীলৈ যোৱা, আৰাধনা কৰা, ঈশ্বৰৰ আশীৰ্বাদ পোৱাৰ সুযোগৰ পৰা বঞ্চিত হৈ থাকে। ঈশ্বৰৰ মণ্ডলী আৰু যীচু খ্ৰীষ্টৰ মাজত থকা নিগূঢ় তত্ত্বটো মহান। যদি আপুনি এটা মণ্ডলীত আছে, এই পৃথিৱীৰ যিকোনো বস্তুৱেই আপোনাক পৰাজয় নকৰিব। আপুনি জয়যুক্ত হ'ব।

*৬ পৃষ্ঠাত চাওঁক*

**नहेम्याह बाइबल कॉलेज**
**रेसिडेन्शल कॉलेज, चेन्नई।**

माध्यमः हिन्दी

ECHO OF HIS CALL 1969-2019 GOLDEN JUBILEE REACHING NATIONS

Regd. Candidate for Membership ATA NEHEMIAH BIBLE COLLEGE CHENNAI ECHO OF HIS CALL ★ Estd. 1969

*सदस्यता के लिए पंजीकृत उम्मीदवार* - ATA

**सुविख्यात अंतर्राष्ट्रीय मसीही अगुवे तथा पिछले 53 वर्षों से सेवारत वरिष्ठ पासवान**

सर्टिफिकेट इन थियोलॉजी – 1 साल
डिप्लोमा ऑफ थियोलॉजी – 2 साल

**योग्यता 10 वी या अधिक**
**जल्दी करें!**

**Contact : The Chairman, Nehemiah Bible College.**
10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA.
Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858
E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org
★ ऑनलाइन कक्षाएं उपलब्ध हैं ★

# প্ৰধান আজ্ঞাৰ অংশীদাৰসকল

GREAT COMMISSION PARTNERS
ECHO OF HIS CALL MINISTRIES
SINCE 1969

**বিলোৱা** (গালাতীয়া ৬ঃ২),
**সমৰ্থন আগবঢ়োৱা** (ৰোমীয়া ১২ঃ১৩) আৰু
**আগবাঢ়ি যোৱা** (২ তীমথিয় ১ ঃ ৬)

## প্ৰাৰ্থনাৰ অনুৰোধবোৰ

(অনুগ্ৰহ কৰি এই তালিকাখনি উলিয়াওক, ভাজ কৰক আৰু ইয়াক আপোনাৰ বাইবেলখনৰ ভিতৰত ৰাখক আৰু নিয়মীয়াকৈ প্ৰাৰ্থনা কৰক)



**প্ৰাৰ্থনা আৰু প্ৰশংসাৰ বিষয়সমূহ ঃ ২০২৩ চনৰ ১৯ ফেব্ৰুৱাৰীৰ পৰা ২০২৩ চনৰ ১৮ মাৰ্চলৈ**

## ঈশ্বৰলৈ প্ৰশংসাৰ বিষয়সমূহ ...

ফ্ৰেব্ৰুৱাৰী ১৯ ঃ আমাৰ জ্যেষ্ঠ পালক এচ. চাম. ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালবৰ্গক সকলো মন্দ শক্তিবোৰৰ পৰা ৰক্ষা কৰাৰ বাবে।

ফ্ৰেব্ৰুৱাৰী ২০ ঃ যুৱক-যুৱতীবিলাকক আমাৰ মণ্ডলীৰ আটাই কাৰ্য্যক্ৰমবিলাকত আনন্দৰে অংশ লোৱাত আশীৰ্বাদ কৰাৰ বাবে।

ফ্ৰেব্ৰুৱাৰী ২১ ঃ আমাৰ প্ৰাৰ্থনা অংশীদাৰসকল, চাবচক্ৰাইব অংশীদাৰসকল, বিশ্বাস অংশীদাৰসকল, জীৱন অংশীদাৰসকল, মহান আজ্ঞা অংশীদাৰসকল আৰু তেওঁলোকৰ পৰিয়ালবৰ্গসকলৰ বাবে তেওঁৰ দয়াৰ বাবে।

ফ্ৰেব্ৰুৱাৰী ২২ ঃ এটা দক্ষ দলসমূহৰ বাবে যিবিলাকে আমাৰ ইখ অফ হীজ কল ইউ,টিউব চেনেলত বিৰামহীন ৰূপান্তৰত সহায় কৰি আছে।

ফ্ৰেব্ৰুৱাৰী ২৩ ঃ আমাৰ ইউ, টিউব, ব্ৰডকাষ্টৰ বাবে বিশেষ কেমেৰাৰ সৈতে আমাক আশীৰ্বাদ কৰাৰ বাবে।

ফ্ৰেব্ৰুৱাৰী ২৪ ঃ আমাৰ জ্যেষ্ঠ পালকে নানাবিধ পৰিচৰ্য্যাৰ যোগেদি শুভবাৰ্তা প্ৰচাৰ কৰাত অঙ্গীকাৰ কৰাৰ বাবে।

ফ্ৰেব্ৰুৱাৰী ২৫ ঃ আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ কৰ্মী আৰু তেওঁলোকৰ পৰিয়ালবৰ্গক সু-স্বাস্থ্য আৰু স্বৰ্গীয় নিৰাপত্তা দিয়াৰ বাবে।

ফ্ৰেব্ৰুৱাৰী ২৬ ঃ আমাৰ অংশীদাৰসকলৰ দ্বাৰাই আমাক নৈতিক আৰু আৰ্থিক সমৰ্থন কৰাত আশীৰ্বাদ কৰাব বাবে।

ফ্ৰেব্ৰুৱাৰী ২৭ ঃ বিভিন্ন ভাষীৰ লোকসকললৈ শুভবাৰ্তাৰ সৈতে কাষ চাপিবলৈ আমাৰ মিডিয়া পৰিচৰ্য্যা আৰু ইউ, টিউব চেনেলক আশীৰ্বাদ কৰাৰ বাবে।

ফ্ৰেব্ৰুৱাৰী ২৮ ঃ আমাৰ ২০২৩ ৰ কেলেণ্ডাৰ আৰু প্ৰতিজ্ঞা কাৰ্ড ছপা কাৰ্য্য সম্পূৰ্ণ কৰি পঠোৱা কাৰ্য্যত আমাৰ অনুগ্ৰহ দিয়াৰ বাবে।

মাৰ্চ ০১ ঃ আমাৰ মণ্ডলী পৰিচৰ্য্যাত সংগঠিত পদ্ধতিত আশীৰ্বাদ কৰাৰ বাবে।

মাৰ্চ ০২ ঃ আমাৰ বাসগৃহ নহিমিয়া বাইবেল কলেজৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে বাদ্যযন্ত্ৰ বজোৱা ক্লাচ যোগোৱাৰ বাবে।

মাৰ্চ ০৩ ঃ আমাৰ বাসগৃহ নহিমিয়া বাইবেল কলেজ আৰু ছেইণ্ট পৌলচ' মেট্ৰিকুলেশ্বন স্কুলৰ বৰদিন কাৰ্য্যসূচীত আশীৰ্বাদ কৰাৰ বাবে।

## অনুগ্ৰহ কৰি প্ৰাৰ্থনা কৰক...

মাৰ্চ ০৪ ঃ ২০২৩-২৪ শিক্ষাবৰ্ষৰ নহিমিয়া বাইবেল কলেজৰ বাসগৃহ আৰু সন্ধ্যা বাইবেল কলেজৰ বাবে দক্ষতা থকা ছাত্ৰ-ছাত্ৰী নামভৰ্তিৰ বাবে।

মাৰ্চ ০৫ ঃ আমাৰ ছেইণ্ট পৌলচ' মেট্ৰিকুলেশ্বন স্কুলৰ বাবে নতুন ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিৰ বাবে।

মাৰ্চ ০৬ ঃ আমাৰ জ্যেষ্ঠ পালক, এচ, চাম, ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালবৰ্গক সকলো ধৰণৰ মন্দতাৰ পৰা ৰক্ষা পাবৰ বাবে।

মাৰ্চ ০৭ ঃ ক'ভিডৰ নতুন বৈকল্পিকৰ পৰা পৃথিৱীৰ দেশসমূহক স্বৰ্গীয় সুৰক্ষাৰ বাবে।

মাৰ্চ ০৮ ঃ আমাৰ প্ৰযুক্তিগত কৰ্মীসকল যেনে ছপাশালৰ কৰ্মী, বাহন চালক আৰু কম্পিউটাৰ চালনাকাৰী সকলৰ বাবে।

মাৰ্চ ০৯ ঃ দেশসমূহৰ শিশু আৰু যুৱক-যুৱতীবিলাকে যীচু খ্ৰীষ্টক তেওঁবিলাকৰ ব্যক্তিগত ত্ৰাণকৰ্তাৰূপে গ্ৰহণ কৰিবৰ বাবে।

মাৰ্চ ১০ ঃ খ্ৰীষ্টিয়ান প্ৰচাৰকসকলে কোনো ভেজাল নোহোৱাকৈ শুভবাৰ্তা প্ৰচাৰ কৰিবৰ বাবে।

মাৰ্চ ১১ ঃ কাৰাগাৰত পৰিচৰ্য্যা কৰা ঈশ্বৰৰ দাসসকলৰ বাবে।

মাৰ্চ ১২ ঃ শিশু আৰু যুৱকসকলে অনলাইন গেমৰ আসক্তিৰ পৰা ৰক্ষা পাবলৈ।

মাৰ্চ ১৩ ঃ আমাৰ ইখ অফ হীজ কল ইউ টিউব চেনেলত অতিৰিক্ত ভাষাত পালক এচ, চাম ছেলভা ৰাজৰ ব্ৰডকাষ্টিং বাৰ্তাসমূহৰ বাবে।

মাৰ্চ ১৪ ঃ শিক্ষা দিয়াত আৰু অনুবাদ পৰিচৰ্য্যাত লিপ্ত হৈ থকা আমাৰ সহকৰ্মীসকলৰ বাবে।

মাৰ্চ ১৫ ঃ আমাৰ সহকাৰী সম্পাদকসকল আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ বাবে।

মাৰ্চ ১৬ ঃ আমাৰ জ্যেষ্ঠ পালকে লিখি থকা তেওঁৰ আত্মজীৱনীত কৃতকাৰ্য্য হ'বৰ বাবে।

মাৰ্চ ১৭ ঃ ইস্ৰায়েলৰ শান্তিৰ বাবে।

মাৰ্চ ১৮ ঃ বৃদ্ধ আশ্ৰমত থকা লোকসকলৰ বাবে।

*(চতুৰ্থ পৃষ্ঠাৰ পৰা)*

যি ঈশ্বৰৰ মণ্ডলীৰ সদস্য হয়, যি সাধুবিলাকে তেওঁৰ মণ্ডলীত অংশ গ্ৰহণ কৰে আৰু যিবিলাকে যীচু খ্ৰীষ্টক তেওঁবিলাকৰ ত্ৰাণকৰ্তাৰূপে গ্ৰহণ কৰিছে তেওঁবিলাক উচ্চ শ্ৰেণীৰ লোক হয়। তেওঁবিলাকক ধ্বংস কৰিবলৈ পৃথিৱীত তেনে কোনো শক্তি নাই। আপোনাৰ জীৱনৰ সকলো পৰাজয়বোৰ জয়লাভত পৰিণত হ'ব। পৃথিৱীত স্বৰ্গৰ ক্ষমতা ব্যৱহাৰৰ স্থানটো হৈছে মণ্ডলী। এই মণ্ডলীবোৰৰ যোগেদিহে ঈশ্বৰে দেশবোৰক আশীৰ্বাদ কৰে।

যদি আপুনি এই বাস্তৱৰ বিষয়ে মানুহবিলাকক কয় তেন্তে কোনেও ইয়াক বুজি নাপাব। যিবিলাকে খ্ৰীষ্টিয়ান বিশ্বাসক অনুসৰণ কৰে তেওঁলোক অশিক্ষিত, দৰিদ্ৰ আৰু কষ্টত থকা লোক হয়। আপুনি সুধিব পাৰে, "এই লোকবিলাকেই ঈশ্বৰৰ দ্বাৰাই মনোনীত লোক হয়নে?" উত্তৰটো হৈছে, "হয়", কিয়নো এয়ে সত্য হয়। যিবিলাকে প্ৰভু যীচু খ্ৰীষ্টক গ্ৰহণ কৰিছে, এই জগতৰ তেওঁলোক নহয়। স্বৰ্গই তেওঁলোকক সুৰক্ষা দিব।

## ৩। যিবিলাক মণ্ডলীত ৰোৱা হয় প্ৰফুল্লিত হ'ব!

"যিবিলাকক যিহোৱাৰ গৃহত ৰোৱা হয়, সিবিলাক আমাৰ চোতাল কেইখনত প্ৰফুল্লিত হ'ব" (গীতমালা ৯২ঃ১৩)।

আমি এটা কৃত্ৰিম গছপুলি উভালি পুনৰ ৰুব পাৰো তাত পানী দিবৰ প্ৰয়োজন নাই। যিবিলাকক ঈশ্বৰৰ গৃহত ৰোৱা হয়, কৃত্ৰিম গছপুলিৰ দৰে অস্থায়ীভাৱে ৰোৱা নহয়। স্বাভাৱিক গছপুলি এটা মাটিত ৰোৱা হয় তাক পানী দিয়া হয়। যাৰ জীৱনবিলাক গছপুলিৰ দৰে হয়, আমাক ফল দিয়ে, তেওঁলোক ঈশ্বৰৰ মণ্ডলীত প্ৰফুল্লিত হ'ব। কেৱল এই গছপুলিৰ দৰে জীৱন থকা লোকবিলাকৰহে জীৱন সমৃদ্ধিশালী হয়।

ঈশ্বৰৰ মণ্ডলীত ৰোৱা হয়, পানী দিয়া আৰু সাৰ দিয়া হ'লে ঈশ্বৰৰ মণ্ডলীত শিপা ধৰা হ'ব, প্ৰফুল্লিত হ'ব আৰু মণ্ডলীত ফল দিব।

যিবিলাকে মণ্ডলীত প্ৰকৃত উৎসৰ্গিত হৈ সেৱা কৰে আৰু পালকক ফল দিয়াৰ দ্বাৰাই সহায় কৰে তেওঁলোক প্ৰফুল্লিত হ'ব। আজিকালি বহুত মানুহৰ এনে মনোভাৱ নাই কিছুমান মানুহে মণ্ডলীত বাপ্তিস্ম পোৱাৰ পাছত এনে সিদ্ধান্ত লয় যে তেওঁলোকে ৰক্ষা পাইছে। তেওঁবিলাকে মণ্ডলী এৰি নিজৰ অনুষ্ঠান স্থাপন কৰে আৰু ঈশ্বৰে গ্ৰহণ নকৰা সকলো কাৰ্যবোৰ কৰে আৰু সকলো ধৰণৰ সমস্যাৰ সন্মুখীন হয়। অৱশেষত তেওঁলোকে সকলোবিলাক ত্যাগ কৰিবলগীয়া হয়। ঈশ্বৰৰ মণ্ডলীত তেওঁ দিয়া দায়িত্ব আৰু কাৰ্যৰ দৰ্শন আপুনি বিশ্বাসেৰে পালন কৰিলে প্ৰফুল্লিত হ'ব। কিছুমান মানুহে প্ৰশ্ন কৰিব পাৰে, যদি মই গীৰ্জালৈ যাওঁ, তেন্তে সকলো ঠিকেঠাকে চলিবনে?" হয়, সকলো ঠিক হৈ যাব, যেতিয়া এই কথা সাধাৰণ মানুহক কোৱা হয়, তেওঁলোকে বুজি নাপায়, যেতিয়া মই এজন যুৱক হৈ আছিলো। মই মোৰ জ্যেষ্ঠ পালকৰ চেপেল চফা কৰিছিলো আৰু তেওঁক সহায় কৰিছিলো। সেয়ে মোৰ পৰিচৰ্যা আছিল। সেই সৰু সেৱা কৰাৰ বাবে ঈশ্বৰে মোক আজি সমাজৰ পৰিচৰ্যা কৰিবলৈ দিছে। আপুনি মণ্ডলীত ৰোৱা হৈছে নে নতুবা আপুনি তাত এনেয়েই থাকিছে?

আজিকালি বহুত মানুহবিলাকে গভীৰভাৱে ৰোৱা বিশ্বাসী নহয়, কিন্তু তেওঁলোক কেৱল দৰ্শনাৰ্থীহে হয়। যি গছপুলি মাটিত ভালদৰে ৰোৱা হয়, ফল দিয়ে, বহুতৰ জীৱনবিলাক ফলহীন হৈ আছে, আমি কওঁ যে আমি বিশ্বাসী হওঁ, কিন্তু জয়যুক্ত নহও, যিমানেই আপুনি ঈশ্বৰৰ গৃহত ব্যস্ত থাকে সিমানেই আপুনি গভীৰভাৱে ৰোৱা হ'ব আৰু আপুনি ঈশ্বৰৰ গৃহত অধিক ফল দিব। সিমানেই আপুনি ফল দিব যে ঈশ্বৰেও আপোনাক প্ৰফুল্লিত কৰিব।

এজন জনাজাত পালক স্বৰ্গীয় জি. সুন্দাৰাম যিবিলাকে স্বাধীনভাৱে পৰিচৰ্যা কাৰ্য কৰে তেওঁবিলাকক কৈছিল, "আপুনি য'তেই আৰু যি কোনো প্ৰকাৰেই পৰিচৰ্যা কাৰ্য কৰিব পাৰে, কিন্তু ৰছীৰ এটা মূৰ নিজৰ পিন্ধা কাপোৰত বান্ধিব আৰু আনটো মূৰ মণ্ডলীত বান্ধি থ'ব। আপুনি কেৱল সেই মণ্ডলীৰ পৰাহে শক্তি পাব। নহ'লে আপুনি আপোনাৰ আত্মিক জীৱনত মাউৰা হ'ব।" তেওঁ তেওঁবিলাকক এক প্ৰত্যাহ্বান জনাই এই বাৰ্তাবিলাকক কৈছিল। এয়েই এক ডাঙৰ সত্য।

যি লেখকে আপোনাৰ বাবে এই বাৰ্তা

*৮ পৃষ্ঠাত চাওঁক*


## নহিমিয়া বাইবেল সন্ধ্যা মহাবিদ্যালয়

চেপাক আৰু সন্তোষাপুৰম, চেন্নাই

মাধ্যম ঃ তামিল

যোৱা ৫৩ বছৰ ধৰি আন্তৰাষ্ট্ৰীয় জ্যেষ্ঠ পালকসকল আৰু খ্ৰীষ্টিয়ান নেতাসকলৰ দ্বাৰা অনুমোদন প্ৰাপ্ত! ATA লৈ

**প্ৰমাণ পত্ৰ পাঠ্যক্ৰম ঃ এবছৰীয়া**

**ডিপ্লমা ইন থিয়ল'জি ঃ দুবছৰীয়া**

অৰ্হতা ঃ দশম শ্ৰেণী উত্তীৰ্ণ বা অধিক

নামভৰ্তিৰ বাবে সোনকাল কৰক!

**Contact : The Chairman, Nehemiah Bible College.**

10, MOHAMMED ABDULLAH 2ND STREET, BELLS ROAD, CHEPAUK, CHENNAI - 600 005, INDIA.

Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858

E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org

## অনুগ্ৰহ কৰি আমাৰ মুখ্য কাৰ্য্যালয়ৰ পৰিচৰ্য্যবিলাকৰ বাবে প্ৰাৰ্থনা কৰক

১। প্ৰাৰ্থনা সেৱা ঃ ২৪ ঘণ্টা

২। **বিব্লিকৰ** - বাইবেল সম্বন্ধীয় যোগাযোগ প্ৰশিক্ষণ ঃ ইংৰাজী, হিন্দী আৰু তামিল।

৩। **তেওঁৰ আহবানৰ প্ৰতিধ্বনি** আলোচনী ঃ
ইংৰাজী, তামিল, মালায়ালম, তেলেগু, হিন্দী, কানাড়া, মাৰাঠী, গুজৰাটী, বেঙ্গলী, উৰিয়া, নেপালী, অসমীয়া, পঞ্জাৱী; উৰ্দু, সিংহালী আৰু আফ্ৰিকান।

৪। নহিমিয়া বাইবেল মহাবিদ্যালয় (দুটা শাখা)।

৫। ঈশ্বৰ বিষয়ক যোগাযোগৰ পাঠ্যক্ৰম ঃ ইংৰাজী আৰু তামিল।

৬। প্ৰধান আজ্ঞাৰ অংশীদাৰসকল

৭। প্ৰশিক্ষণ কাৰ্য্যসূচীবোৰ।

৮। সভা।

৯। পত্ৰিকা পৰিচৰ্য্যা - স্থিৰভাৱে অনুসৰণ কৰা।

১০। শুভবাৰ্ত্তা মুদ্ৰণ - ছপাশালা প্ৰকাশ কৰা।

১১। চেইণ্ট পৌল মেট্ৰিকুলেশ্বন স্কুল - গ্ৰাম্য ইংৰাজী উচ্চ মাধ্যমিক বিদ্যালয়।

| | | |
|---|---|---|
| ১২। দেওবৰীয়া স্কুল | ঃ | পুৱা ৮.৩০, বিয়লি ৪.০০ দেওবাৰ |
| ১৩। তামিল উপাসনা | ঃ | পুৱা ৫.৩০,৭.০০ আৰু ১০.০০ দেওবাৰ |
| ১৪। মালায়ালম প্ৰাৰ্থনা সভা | ঃ | আবেলি ২.০০ দেওবাৰ |
| ১৫। তেলেগু উপাসনা | ঃ | আবেলি ৪.০০ দেওবাৰ |
| ১৬। হিন্দী উপাসনা | ঃ | আবেলি ৫.০০ দেওবাৰ |
| ১৭। ইংৰাজী আৰু তামিল সেৱা | ঃ | সন্ধ্যা ৬.০০ বজাত দেওবাৰ |
| ১৮। পালকসকলৰ পৰামৰ্শ | ঃ | আবেলি ৪.০০ বজাত দেওবাৰ |
| ১৯। মহিলাসকলৰ প্ৰাৰ্থনা সভা | ঃ | সন্ধ্যা ৫.৩০ বজাত বুধবাৰ |
| ২০। মধ্য সপ্তাহৰ বাইবেল অধ্যয়ন | ঃ | সন্ধ্যা ৬.৩০ বজাত বুধবাৰ |
| ২১। পুৰুষসকলৰ বিশেষ উপাসনা | ঃ | গধূলি ৭.০০ বজাত শুক্ৰবাৰ |
| ২২। কৰ্ম্মকৰ্ত্তা সকলৰ সভা | ঃ | সন্ধ্যা ৬.০০ বজাত শনিবাৰ |
| ২৩। গৃহ সভা | ঃ | সন্ধ্যা ৬.৩০ বজাত সোমবাৰ আৰু মঙ্গলবাৰ |
| ২৪। বিশেষ প্ৰভূ ভোজ | ঃ | পুৱা ৫.৩০ প্ৰত্যেক মাহৰ প্ৰথম দিনত |
| ২৫। পালকসকলৰ নিৰীক্ষণ সভা | ঃ | সন্ধ্যা ৫.৩০ প্ৰত্যেক মাহৰ প্ৰথম শনিবাৰ |
| ২৬। অভিভাৱক সকলৰ প্ৰাৰ্থনা সভা | ঃ | আবেলি ৪-০০ বজাত প্ৰথম দেওবাৰ |
| ২৭। নিশাৰ প্ৰাৰ্থনা | ঃ | গধুলি ৯.৩০ দ্বিতীয় শুক্ৰবাৰ |
| ২৮। উপবাস প্ৰাৰ্থনা | ঃ | পুৱা ৯.৩০ তৃতীয় শনিবাৰ |
| ২৯। প্ৰভূ ভোজ | ঃ | দ্বিতীয় দেওবাৰৰ উপাসনাত |
| ৩০। পুৱাৰ উপাসনা | ঃ | পুৱা ৫.৩০ বজাত দৈনিক |
| ৩১। কৰ্মচাৰী সকলৰ উপাসনা | ঃ | পুৱা ৯.০০ টা দৈনিক |
| ৩২। কাৰ্য্যালয় | ঃ | পুৱা ৯.০০ টাৰ পৰা ৰাতি ৯.০০লৈ (দেওবাৰৰ বাদে)। |

## ডাক বিভাগৰ জৰিয়তে তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পাঠ্যক্ৰম কেৱল ভাৰতীয় প্ৰাৰ্থীসকলৰ বাবে

### ১। বিব্লিকৰ

বাইবেলৰ সত্যতাৰ ওপৰত ভিত্তি কৰি আমি ইংৰাজী ৫৭ পৃষ্ঠা, হিন্দী ৭৬ পৃষ্ঠা আৰু তামিলত ৯৬ পৃষ্ঠাৰ ডাক বিভাগৰ জৰিয়তে পাঠ্যক্ৰম আগবঢ়াইছো। আপোনাৰ বাবে নতুন জীৱন - নামেৰে এখন পাঠ্যক্ৰমৰ কিতাপ লাভ কৰিব। এই পাঠ্যক্ৰমৰ অন্তত, আপুনি এখন চাৰ্টিফিকেট লাভ কৰিব। ইয়াৰ বাবে কোনো নিৰ্দিষ্ট মাচুলৰ প্ৰয়োজন নহ'ব। আপুনি আশীৰ্বাদ প্ৰাপ্ত হ'ব।

### ২। থিয়'লজিকেল যোগাযোগৰ পাঠ্যক্ৰম

পালকসকল, প্ৰচাৰকসকল আৰু খ্ৰীষ্টিয়ান নেতাসকল আৰু সাধাৰণ লোকৰ বাবেও থিয়'লজিকেল যোগাযোগ পাঠ্যক্ৰম যাক উন্নত দূৰত্বৰ শিক্ষা বোলা হয়। ইংৰাজীত ৫৩৭ পৃষ্ঠাৰ আৰু তামিলত ৬৫২ পৃষ্ঠাৰ যিসকলৰ ঈশ্বৰৰ পৰিচৰ্য্যা কৰিবলৈ ইচ্ছুক ল'ব পাৰিব। ১০০০ টকাৰ মাচুল লোৱা হ'ব। ১৪৯ পাঠৰ ৭ খন পুস্তক পঠিওৱা হ'ব। **চাৰ্টিফিকেট ইন মিনিষ্ট্ৰি** বঁটা দিয়া হ'ব। ঈশ্বৰে আপোনাক আশীৰ্বাদ কৰক!

*অধিক জানিবৰ বাবে আমালৈ আজিয়েই লিখক*

**The Chairman, Nehemiah Bible College,**
Echo of His Call, Post Box 2957
CHEPAUK, CHENNAI - 600 005.
Ph.: (044) 2852 8282, 2852 9293, 2854 7766,
Cell : 98410 71852, 95661 31858
E.mail : biblecor@yahoo.co.in

## মাহেকীয়া আলোচনী তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি বিনামূল্য পাবলৈ এটি সুন্দৰ সুযোগ

যদিহে আপুনি আপোনাৰ বন্ধুবৰ্গৰ/আত্মীয়ৰ ঠিকনা ডাকৰ যোগেদি, পত্ৰৰ যোগেদি, ই-মেইল, হোৱাটচ এপৰ জৰিয়তে আমালৈ পঠিয়াই, আমি তেওঁলোকলৈ বিনামূল্যে তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি আলোচনী পঠিয়াই দিম।

## কৰ ৰেহাই

ইখ অব হিজ কল, এডুকেচ্‌নেল ট্ৰাষ্টলৈ কোনো ব্যক্তিগতভাৱে অথবা সংস্থানৰ যোগেদি বৰঙণি দিলে Income Tax Actৰ চেকশ্বন 80 G দ্বাৰা কৰ ৰেহাই হ'ব। ইয়াৰ বাবে কাৰ্য্যালয়ৰ পৰা ৰচিদ দিয়া হ'ব। অনুগ্ৰহ কৰি আপোনাৰ চেক/ড্ৰাফ্‌ট/মণি অৰ্ডাৰ "ECHO OF HIS CALL EDUCATIONAL TRUST" নামলৈ পঠিয়াওক।

| | | |
|---|---|---|
| **Account Name** | : | **ECHO OF HIS CALL EDUCATIONAL TRUST** |
| **Account Number** | : | **1023 2923 805** |
| **Bank Name** | : | **STATE BANK OF INDIA** |
| **Branch** | : | **TRIPLICANE, CHENNAI - 600 005** |
| **IFSC Code** | : | **SBIN 0000249** |
| **SWIFT Code** | : | **SBI NIN BB 455** |



# গৰাহৰ পৰা ৰাজগৃহলৈ
# PIT TO PALACE

(পালক এচ, চাম ছেলভা ৰাজৰ জীৱনৰ অভিজ্ঞতা)

**"যিজনে পঢ়ে, তেওঁ বুজক" মথি ২৪ ঃ ১৫**

## মোৰ ফিল্ড পৰিচৰ্য্যা !

মুকলি ঠাইবিলাকত আৰু মানুহসকলৰ গৃহত ক্ষুদ্ৰ-ক্ষুদ্ৰ প্ৰচাৰমূলক সভাৰ যোগেদি প্ৰভুৰ শুভবাৰ্তা প্ৰচাৰ কৰিবলৈ প্ৰভু ঈশ্বৰে মোক ভাল-ভাল বন্ধুসকলক যোগায় দিছিল। ডি, ৰিৰ্চাড থাম্বিৰাজ, উইলিয়াম, ছেলভা ৰাজ, বিজিলি চামৰাজ, পি, চন্দ্ৰচেকৰ, শ্ৰীমতি জে, ভি, ছেলভান আৰু আদি লোকসকলে এই পৰিচৰ্য্যাত মোক সহায় কৰি আছিল।

যেতিয়া মই আমাৰ অঞ্চলৰ ওচৰত থকা নাভালাৰ নগৰ নামৰ ঠাইত মুকলি সভাৰ আয়োজন কৰিছিলো মানুহবিলাকে প্ৰভু যীচু খ্ৰীষ্টৰ শক্তিৰ দ্বাৰাই স্পৰ্শ পাইছিল আৰু ভূতে পোৱা মানুহবিলাকে উদ্ধাৰ পাইছিল আৰু ৰোগীবিলাকে সুস্থ হৈছিল। এইদৰে ঈশ্বৰৰ অভিষেক কাৰ্য্য কৰিবলৈ আৰম্ভ কৰিছিলো।

ধনী, দৰিদ্ৰ, শিক্ষিত, অশিক্ষিতসকলে প্ৰভু যীচু খ্ৰীষ্টক তেওঁলোকৰ ব্যক্তিগত ত্ৰাণকৰ্তাৰূপে গ্ৰহণ কৰিছিল। বহুত ধৰণৰ আচৰিত কৰ্ম ঘটিছিল। মই মোৰ বাদ্যযন্ত্ৰ একৰ্ডিয়ন বজাইছিলো, গীত গাইছিলো আৰু শিশুবিলাকৰ বাবে কাৰ্য্যসূচী ইত্যাদিৰ আয়োজন কৰিছিলো আৰু যাৰ ফলস্বৰূপে ঈশ্বৰে মোক জীৱিত প্ৰভু যীচু খ্ৰীষ্টৰ এজন দাসৰ দৰে তুলিলে। মানুহবিলাকৰ জীৱনত প্ৰকৃত আচৰিত কৰ্ম আৰু পৰিৱৰ্তন হোৱা হেতুকে তেওঁলোকে মোক সন্মান কৰিবলৈ আৰম্ভ কৰিলে আৰু মোৰ প্ৰাৰ্থনা সভাত যোগদান কৰিলে। আন আন মণ্ডলীবিলাকৰ সভ্য যেনে-ৰোমান কেথলিক আৰু প্ৰটেষ্টান মণ্ডলীৰ সভ্যক মই গ্ৰহণ কৰা নাছিলো। প্ৰভু যীচুখ্ৰীষ্টক পালন কৰিবলৈ আৰু তেওঁক সেৱা কৰিবলৈ ঈশ্বৰে মোক সতেজ বিশ্বাসীসকলক যোগাইছিল। ফেইথ প্ৰেয়াৰ ট্ৰেক্ট লিগৰ ৰেভাঃ চামুৱেল দানিয়েলৰ দ্বাৰাই যোগোৱা শুভবাৰ্তা পত্ৰিকা আৰু পুস্তকসমূহ বিতৰণ কৰিবলৈ মই মোৰ বন্ধুসকলক প্ৰশিক্ষণ দিছিলো।




*Rev. Samuel Daniel*

তাৰোপৰি মই মোৰ বন্ধুসকলক গীত গাবলৈ সাক্ষ্য দিবলৈ আৰু নতুন আত্মাবিলাকক পৰিদৰ্শন কৰিবলৈ প্ৰশিক্ষণো দিছিলো। এইদৰে মই মোৰ নিজ আত্মাৰ সমৃদ্ধিৰ অৰ্থে প্ৰাৰ্থনা কৰিবলৈ আৰু এই পৃথিৱীৰ বিভিন্ন লোকসকলৰ মাজত শুভবাৰ্তা দিবলৈ ঈশ্বৰে মোক দিয়া দায়িত্বৰ বাবে সকলোলৈকে সকলো প্ৰকাৰ হ'বলৈ মোৰ জীৱনক ব্যস্ত কৰিবলৈ আৰম্ভ কৰিলো। দুৰ্বলবিলাকক পাবলৈ, দুৰ্বলবিলাকলৈ দুৰ্বল হ'লো, কোনো কোনোবিলাকক পৰিত্ৰাণৰ পাত্ৰ কৰিবলৈ, সকলোলৈকে সকলো প্ৰকাৰ হ'লো। ১ কৰিন্থীয়া ৯ ঃ ২২।

১৯৭৩ চনত, এদিনাখন মই যেতিয়া মাউণ্ট ৰোডত ই, এল, চি, কিতাপৰ দোকানৰ ওচৰত মোৰ বন্ধুসকল ভাই, যে, আৰ, জেয়াবালান, কিতাপ দোকানৰ মেনেজাৰৰ সৈতে "মই আটাইতকৈ ভাল হ'ব পাৰো !" নামৰ শুভবাৰ্তা পত্ৰিকা বিলাই আছিলো, মই ঈশ্বৰৰ মহান দাস ৰেভাঃ ডাক্তৰে আগষ্টিনক লগ পাইছিলো, তেতিয়া তেওঁ সেই ব্যস্ত বাটতেই মোৰ মূৰৰ ওপৰত হাত দি প্ৰাৰ্থনা কৰিলে আৰু মোৰ বাবে ভৱিষ্যৎ বাণী কৰি ক'লে- "এওঁৱেই ল'ৰাজন-শুভবাৰ্তা পৰিচৰ্য্যাৰ বাবে মোৰ দ্বাৰাই এওঁক পদমৰ্য্যাদা কৰা। মই এওঁক মনোনীত কৰিছো। মই এওঁক অসাধাৰণ বৰদানসমূহ, স্বাস্থ্য, সম্পত্তি আৰু গোটেই পৃথিৱীৰ মানুহ দিম। এওঁ মোৰ বিশ্বাসী দাস হ'ব আৰু মোৰ পুত্ৰ হ'ব যাৰ ওপৰত মই মোৰ আশীৰ্বাদ বাকি দিম।

কিছু দিনৰ পাছত, তেওঁ মোক মোৰ বন্ধু ভাই, চি, এন, ৰাজেন এজন ফটোগ্ৰাফাৰৰ যোগেদি মোক মাতিলে আৰু শুভবাৰ্তাৰ এজন দাস হিচাবে মোক অভিষিক্ত কৰিলে। ইয়াক ক'বলৈ উপযুক্ত হ'ব যে সেই একে শক্তি, দৰ্শন আৰু স্থিতিশীলতা এতিয়াও মোৰ জীৱনত প্ৰভাৱশালী হৈ আছে।



*Rev. Dr. Augustine Peters & Pr. S. Sam Selva Raj*

তেওঁৰ যোগেদি যিমান বাক্য উচ্চাৰণ কৰা হৈছিল সকলো মোৰ জীৱনত পৰিপূৰ্ণ হৈ আছে। ইয়াৰ বাবে মই ঈশ্বৰক ধন্যবাদ দিছো।

---

লিখিছে, তেওঁ এজন চলাওঁতাৰ অধীনত চলি আছে আৰু মই আশীৰ্বাদপ্ৰাপ্তও হৈছো। ঈশ্বৰে মোক বহুত সহকাৰী পালকৰ সৈতে আশীৰ্বাদ কৰিছে। মই মোৰ জ্যেষ্ঠৰ প্ৰতি বাধ্য হওঁ। মই সুখী। আপোনাৰ স্থান ক'ত?

## ৪। প্ৰভুৰ দিন সুখদায়ক !

"যদি তুমি মোৰ পবিত্ৰ দিনা তোমাৰ কাৰ্য নকৰি, বিশ্ৰাম দিনৰ পৰা তোমাৰ ভৰি আঁতৰোৱা আৰু যদি বিশ্ৰাম বাৰক সুখদায়ক আৰু যিহোৱাৰ পবিত্ৰ দিনক মাননীয় বুলি কোৱা আৰু তোমাৰ নিজ কাৰ্য সিদ্ধ নকৰি, তোমাৰ অভিলষিত চেষ্টা নকৰি, নিজৰ কথা নকৈ তাক মান্য কৰা, তেন্তে তুমি যিহোৱাত সুখী হ'বা" (যিচয়া ৫৮ঃ১৩-১৪)।

আমাৰ সকলোৰেই উচ্চ স্থানলৈ আশা কৰে। আমাৰ পথবোৰত আমি উন্নতি হোৱাটো বিচাৰো, আমি ইয়াক কিদৰে পাব পাৰো? প্ৰভুৰ দিনত অৰ্থাৎ দেওঁবাৰে আমি অধাৰ্মিকৰ আলচৰ পৰা আঁতৰি আহিব লাগিব আৰু ঈশ্বৰক সন্তোষ দিয়া কাৰ্য কৰিব লাগিব। আপোনাকেই কেৱল সন্তোষ দিয়া কাৰ্যবোৰ নকৰিব আৰু নিজৰ বিষয়ে কৈ নাথাকিব, কিয়নো প্ৰভুৰ দিনটো সুখদায়কৰ দিন হয়। এই দিনটো এক উত্তম দিন, সুখদায়কৰ দিন, প্ৰভুৰ দিনক পালনৰ দিন আৰু এই দিনক সমাদৰ কৰা দিন হয়। এই দিনটোত, টেলিভিশ্বনত যিকোনো কাৰ্যসূচী নাচাব কিন্তু এই দিনত মণ্ডলীৰ উপাসনালৈ গুৰুত্ব দিয়ক আৰু গীৰ্জাত যোগদান দিয়াক আপোনাৰ কৰ্তব্য বুলি ভাবিব। তেতিয়া আপুনি ঈশ্বৰত নিজকে সুখদায়ক পাব।

দেওবাৰে পুৰা উপাসনাৰ পাছত যদি আপুনি নিজৰ জাগতিক বস্তু আৰু কামৰ বাবে সময় দিবলৈ পৰিকল্পনা কৰে, আপোনাৰ জীৱনত আপুনি প্ৰকৃত আনন্দ নাপাব। আপোনাৰ জীৱনত কোনো উন্নতি নহ'ব। এই দিনটোক আপুনি ঈশ্বৰৰ বাবে উৎসৰ্গা কৰিব লাগে। যদিও আপুনি আপোনাৰ বন্ধুৰ লগ পাবলৈ সেইদিনাখন নিজৰ কামত সময় অতিবাহিত কৰিব বিচাৰে তেন্তে আপুনি জীৱনত অগ্ৰগতি লাভ কৰিব নোৱাৰে।

যেতিয়া আপুনি প্ৰভুৰ দিনটোক প্ৰফুল্লিত দিন বুলি গণ্য কৰে, প্ৰভুৰ বাবে দিনটোক পৃথকে ৰাখে, আপুনি আনন্দ পাব। এই পৃথিৱীত ঈশ্বৰে আপোনাক উচ্চ স্থানত ৰাখিব। আপোনাৰ জীৱনত যদি আৰ্থিক বা স্বাস্থ্যৰ অৱনতি বা আপোনাৰ আত্মিক জীৱনত নিৰাশ আছে বা আনবিলাকত থকাৰ দৰে আপোনাৰ জীৱনত কিবা নথকাৰ অনুভৱ কৰাৰ সময়ত আপুনি যদি ঈশ্বৰক সোধে, কিয় ঈশ্বৰ? পৱিত্ৰ আত্মাই এই বাৰ্তাৰ যোগেদি স্পষ্টকৈ কৈ আছে। যদি আপুনি তেওঁৰ দিনটোক প্ৰফুল্লিত দিন হিচাবে গণ্য কৰে, তেতিয়া আপুনি সুখী হ'ব আৰু ঈশ্বৰে আপোনাক উচ্চ স্থানত ৰাখিব।

## ৫। টকা সম্পৰ্কীয় আশীৰ্বাদ !

"মোৰ গৃহত আহাৰ হ'ব নিমিত্তে তোমালোকে ভঁৰাললৈ গোটেই দশমভাগ আনা, বাহিনীবিলাকৰ যিহোৱাই কৈছে, মই তোমালোকলৈ আকাশৰ দুৱাৰ মুকলি কৰিম নে নকৰিম আৰু ঠাঁয়ে নধৰাকৈ তোমালোকলৈ আশীৰ্বাদ বৰ্ষাম নে নবৰ্ষাম তাক জানিবলৈ তোমালোকে ইয়াৰেই মোক পৰীক্ষা কৰি চোৱা" (মলাখী ৩ঃ১০)।

"যদি মই মোৰ উপাৰ্জনৰ অংশ দিও, তেন্তে পাছত মোৰ ভাল সময় আহিব?" কিছুমানৰ এই প্ৰশ্ন আছে। আপোনাৰ সকলো উপাৰ্জনৰ দশম ভাগটোৱেই ঈশ্বৰৰ হয়। যদি আপুনি আপোনাৰ টকাৰ দশমভাগ নিদিয়ে তেন্তে আপুনি ঈশ্বৰৰ ওচৰত ধৰুৱা হৈ আছে। য'ত আমি আমাৰ টকাৰ দশমভাগ দিওঁ সেয়া ঈশ্বৰৰ হয়নে? তোমালোকে ভঁৰাললৈ গোটেই দশম ভাগ আনা। আপোনাৰ দশম ভাগ শুভবাৰ্তাৰ কাৰ্য বা আলোচনীৰ পৰিচৰ্যা বা আন পৰিচৰ্যাৰ বাবে হ'ব নালাগে। কিছুমান প্ৰান্তত প্ৰচাৰ কাৰ্য কৰা লোকবিলাক বা সভা আদিৰ আয়োজন কৰা লোকবিলাকৰ হ'ব নালাগে। ই আপুনি যি মণ্ডলীৰ সদস্য হয়, সেই মণ্ডলীৰ বাবে হয়। মণ্ডলীয়ে নিজা পৰিচৰ্যাৰ কাৰ্যৰ বাবে এই ধন ব্যৱহাৰ কৰিব পাৰে আৰু ঈশ্বৰৰ পৰিচৰ্যা, আন প্ৰান্তৰ দুখীয়া দৰিদ্ৰৰ বাবে ব্যৱহাৰ হ'ব লাগে।

এইটো আপোনাৰ বাবে বহুত গুৰুত্বপূৰ্ণ যে যি মণ্ডলীত ঈশ্বৰৰ ধন ঈশ্বৰৰ বাবেহে খৰচ কৰা হয় তেনে মণ্ডলীতহে আপুনি সদস্য হ'ব লাগে। বাইবেলে কয় যে তোমাৰ উপাৰ্জনৰ দশমভাগ মণ্ডলীৰ ভঁৰাললৈ আনা। বিশ্বাসীবিলাকৰ এই ধন খৰচ কৰাৰ কোনো অধিকাৰ নাই। এজন বিশ্বাসীয়ে এই দশম ভাগত হাত দিব নোৱাৰে আৰু য'ত ত'তে ইয়াক খৰচ কৰিবও নোৱাৰে।

তোমাৰ দশমভাগ মণ্ডলীৰ ভঁৰাললৈ আনা। ঈশ্বৰে তেওঁক দি চাবলৈ কৈছে। যদি তেওঁ তোমালোকলৈ আকাশৰ দুৱাৰ মুকলি কৰিব নে নকৰিব আৰু ঠাঁয়ে নধৰাকৈ তোমালোকলৈ আশীৰ্বাদ বৰ্ষাব নে নবৰ্ষাব ঈশ্বৰৰ বাক্যৰ পৰা আমি এটা শব্দও সলনি কৰিব নালাগে। মই এজন ব্যক্তি যিজন মোৰ নিজৰ উপাৰ্জনৰ পৰা দশম ভাগ দিয়াৰ দ্বাৰাই আশীৰ্বাদপ্ৰাপ্ত হৈছো। কেতিয়াবা যেতিয়া আমি সৰু উপাৰ্জন কৰো, আমি দশমভাগ দিও। কিন্তু যেতিয়া আমাৰ উপাৰ্জন বৃদ্ধি হয়, তেতিয়া দশমভাগ দিয়াত কিছুমান সমস্যা হয়। যেতিয়া আপোনাৰ উপাৰ্জন ১০০ টকা হয় আপুনি দশমভাগ হিচাবে ১০ টকা দিব পাৰে, তেতিয়া ১০০০ হয় আপুনি ১০০ টকা দিব পাৰিব কিন্তু যদি আপোনাৰ উপাৰ্জন ১০,০০০ টকা হয় তেন্তে ১০০০ টকা দশমভাগ হিচাবে দিয়াটো সহজ নহয়। যেতিয়া ঈশ্বৰে আমাক আশীৰ্বাদ

## SPECIAL ANNOUNCEMENT

### We Need Honorary Representatives!

Of late, we find that the number of readers of **Echo of His Call** magazine printed in Sinhala, Nepali, Urdu and Afrikaans languages has considerably reduced. This may be due to the loss of our old friends and the probable relocation of their domicile. We have been thinking of ways and means to strengthen the number of readers.

As a measure of effort, we solicit Honorary Representatives from our readers of Nepali, Urdu, Sinhala and Afrikaans to

(i) Enroll more and more readers for the magazines in their respective languages.

(ii) To come forward to print more copies and dispatch to the readers in their respective countries / areas and

(iii) Help us by raising some Honorary Representatives to provide new addresses and to promote the distribution by taking photo copies and sending them to family and friends.

RNI.No.TNASS/2000/2335, Postal Regn.No.TN/CH/(C)/204/21-23 WPP.No.TN/PMG(CCR)/WPP-262/21-23

বঢ়াই থাকে আৰু যদিহে আমিও বিশ্বাসেৰে দশমভাগ দি থাকো ঈশ্বৰে আমাক প্ৰচুৰ পৰিমাণে আশীৰ্বাদ কৰিব। যেতিয়া আপুনি আপোনাৰ মণ্ডলীত দশমভাগ দিয়ে ঈশ্বৰে আকাশৰ দুৱাৰ খুলিব আৰু ঠায়ে নধৰাকৈ আশীৰ্বাদ বৰ্ষাব। এই এক মহান নিগূঢ় তত্ত্ব। বহুতে এই বিষয়ে জ্ঞাত নহয়। আপুনি দিয়ক আৰু চাওক কিয় হয়। জয়যুক্ত আপোনাৰ হ'বই!

❖❖❖❖❖

## OUR BANK DETAILS:

### 1. Bank : State Bank of India

Branch : **Triplicane, Chennai-5**
Name : **S. Sam Selva Raj**
A/C No. : **1023 2934 679**
IFSC : **SBIN 00 00 249**
SWIFT CODE : **SBI NIN BB 455**

### 2. Bank : ICICI Bank

Branch : **Anna Salai, Chennai-6**
Name : **Echo of His Call**
A/C No. : **6038 0502 2319**
IFSC : **ICIC 000 6038**

### 3. Bank : State Bank of India

**(This Account is for Tax Exemption for Indians only )**

Branch : **Triplicane, Chennai-5**
Name : **Echo of His Call Educational Trust**
A/C No. : **1023 2923 805**
IFSC : **SBIN 00 00 249**

**Google Pay: 98410 71858**
**PayPal : SAM SELVA RAJ**
*****
E.mail : sam@echoofhiscall.org

# তেওঁৰ আহবানৰ প্ৰতিধ্বনি

**১৬ টা ভাষাত মাহেকীয়া আলোচনী, বাইবেল কলেজ, ডাকযোগে পাঠ্যক্ৰম, মণ্ডলী স্থাপন কাৰ্য, গ্ৰাম্য ইংৰাজী হাইস্কুল, ছপাশাল, প্ৰাৰ্থনা সভা, শুভবাৰ্তামূলক সভা, সামাজিক সেৱা ইত্যাদি**

বাৰ্ষিক বৰঙণি ১০০/- টকা    জীৱিত বৰঙণি ২০০০/- টকা

The multifarious activities of **Echo of His Call Ministries** are supported by the free-will offerings and donations of God's children like you. You may support **Echo of His Call** and its activities as the Lord leads you. We need your help to send forth the Gospel to the unreached people and plant Churches.

If you would like to receive **ECHO OF HIS CALL** magazines regularly, please write to us with your e.mail Id and Cell Phone number. Whenever you change your postal or e.mail addresses, please do inform us your old and new addresses.

**Echo of His Call** is available in 16 languages in our website also. You can read them by going into the site as well as downloading them and get blessed.

Your letters, prayer requests and your financial helps (**Money Orders, Cheques or Demand Drafts, NEFT, PayPal (Sam Selva Raj, sam@echoofhiscall.org) PhonePe (98410 71858), Gpay (98410 71858), Western Union, MoneyGram, etc.**) to **ECHO OF HIS CALL** may please be sent to the address below.

Please send your **Land Phone / Mobile Phone Numbers and E.mail addresses** for updation.

ECHO OF HIS CALL
10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA
PH: (+91-44) 2852 8282, 2852 9293, 2854 7766/ Cell: (+91) 98410 71852, 95661 31858 / E.mails: sam@echoofhiscall.org / biblecor@yahoo.co.in
Websites: www.echoofhiscall.org / www.stpaulsmatriculation.com

**YOU CAN SEND YOUR DONATION ONLINE ALSO**

Regd. with the RNI under No. TNASS/2000/2335
Licenced to post without pre-payment
Postal Regn. No. TN/CH (C) /204/21-23
Licence No. WPP. No. TN/PMG(CCR)/WPP-262/21-23
Date of Publication: Second week of every month
Date of Posting : 11th & 12th of every month
Posted at "Egmore RMS / 1 Patrika Channel"
on 13th FEBRUARY 2023
If un-delivered please return to:
ECHO OF HIS CALL (ASSAMESE)
P.O. Box No. 2957, Chepauk, Chennai - 600 005, INDIA.
Phone: (+ 91- 44) 2852 8282, 2852 9293, 2854 7766

*JESUS LOVES YOU!*

To

*GOD BLESS YOU!*

Owned and published by **S. Sam Selva Raj** from New No. 8 & 10, Old No.18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005 and printed by **S. Sam Selva Raj** at **Echo of His Call Printers,** New No. 8 & 10, Old No.18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005. Editor: **S. Sam Selva Raj.**